**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **বিকশিত ভাৰতৰ দিশে যাত্ৰা** শীৰ্ষক এখন বাজেটোত্তৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। লোকসভা আৰু ৰাজ্যসভাত কালি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

৩। বাংলাদেশত সংৰক্ষণৰ সংস্কাৰৰ আন্দোলনত ১৫০ জন লোক নিহত হোৱাৰ পৰিপ্ৰেক্ষিতত আজি দেশখনত ৰাষ্ট্ৰীয় শোক পালন কৰা হৈছে।

৪। অলিম্পিকত আজি ভাৰতৰ মনু ভাকেৰ আৰু সৰবজিৎ সিঙে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড টীম শিতানৰ ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। **আৰু**

৫। ভাৰত আজি শ্ৰীলংকাৰ বিৰুদ্ধে তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত **বিকশিত ভাৰতৰ দিশে যাত্ৰা** শীৰ্ষক এখন বাজেটোত্তৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিভিন্ন খণ্ডৰ সহস্ৰাধিক লোকে ভাগ ল'ব।

ooooo

লোকসভাত কালিও ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে জাতি পিয়লৰ দাবী উত্থাপন কৰাৰ লগতে কৃষকক উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য দিয়াৰ আইনী নিশ্চয়তা প্ৰদান কৰাৰ দাবী জনায়। তেওঁ কয় যে, এই সমৰ্থন মূল্যৰ ক্ষেত্ৰত আইনী নিশ্চয়তাই কৃষকসকলক নিশ্চিতভাৱে উপকৃত কৰিব। তেওঁ লগতে অগ্নিবীৰ আঁচনি সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। তেওঁ লগতে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰসংগ উত্থাপন কৰি এনে ঘটনাই যুৱ প্ৰজন্মৰ ক্ষতি কৰে বুলি মন্তব্য কৰে। আনহাতে গান্ধীয়ে উত্থাপন কৰা অগ্নিবীৰ আঁচনিৰ প্ৰসংগত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, এই আঁচনি সম্পৰ্কত বিৰোধী দলৰ নেতাগৰাকীয়ে ভালেমান ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিছে আৰু তেওঁ এই সম্পৰ্কত সদনত আলোচনাৰ বাবে সাজু আছে।

আলোচনাত অংশগ্ৰহণ কৰি স্বাস্থ্য ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয় যে, এন ডি এ চৰকাৰে বাজেটত দুখীয়া, যুৱক-যুৱতী, মহিলা, কৃষক আৰু মধ্যবিত্ত লোকসকলক অগ্ৰাধিকাৰ দিছে। চৰকাৰে কৃষিখণ্ডৰ বাবে এক দশমিক ৫-২ লাখ কোটি টকা বাজেটত ধাৰ্য কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ

লগতে কয় যে, দক্ষতা বিকাশৰ উপৰি চৰকাৰে ৫০০টা শীৰ্ষ কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ বাবে এক কোটি যুৱক-যুৱতীলৈ এখন আঁচনিও ঘোষণা কৰিছে।

ইয়াৰ আগেয়ে সদনত আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱে শিক্ষাখণ্ডত বাজেটত আৱণ্টন ধাৰাবাহিকভাৱে হ্ৰাস পাইছে বুলি মন্তব্য কৰে।

ইয়াৰ বিপৰীতে বিজেপিৰ সুৰেশ কুমাৰ কাশ্যপে কয় যে, এইবাৰৰ বাজেটে দেশক উন্নয়নৰ ক্ষেত্ৰত নতুন গতি দিয়াৰ উপৰি আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত সহায় কৰিব। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ কোটি বাসগৃহ নিৰ্মাণৰ ঘোষণা দুখীয়া লোকসকলৰ বাবে ডাঙৰ উপহাৰ।

ইপিনে আলোচনাত অংশ লৈ আৰ এছ পিৰ এন কে প্ৰেমাচন্দ্ৰনে কেন্দ্ৰীয় বাজেটত স্বচ্ছতাৰ অভাৱ পৰিলক্ষিত হোৱা বুলি অভিযোগ উত্থাপন কৰে। বাজেটত ঘোষণা কৰা নতুন প্ৰকল্প বা আঁচনিসমূহলৈ কোনো ধন ধাৰ্য কৰা হোৱা নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, কোম্পানীসমূহত কৰা বিনিয়োগে নিয়োগৰ সুযোগ সৃষ্টি নকৰে।

আলোচনাত অংশ লৈ বিজেপিৰ বিষ্ণু শৰ্মাই কয় যে, এইবাৰৰ বাজেটত সমাজৰ প্ৰতিটো খণ্ডৰ লোকৰ প্ৰতি ধ্যান দিয়া হৈছে। সাংসদগৰাকীয়ে বাজেটখনক সৰ্বাত্মক আৰু উন্নয়নমুখী বুলি অভিহিত কৰে।

ইপিনে ৱাই এছ আৰ চি পিৰ পি ভি মিথুন ৰেড্ডীয়ে অন্ধ্ৰপ্ৰদেশক বিশেষ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

আলোচনাত অংশ লৈ জে এণ্ড কে এন চিৰ আগা ছৈয়দ ৰুহুল্লা মেহদিয়ে জম্মু আৰু কাশ্মীৰত অতিশীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী জনায়। বিজেপিৰ কমলজিত ছেহৰাৱাটে বাজেটখনক ঐতিহাসিক আখ্যা দিয়ে আৰু দেশৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। বাজেটখনে মহিলাৰ নেতৃত্বত বিকাশ ত্বৰান্বিত কৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে, লাখপতি দিদিৰ লেখীয়া আঁচনিসমূহে দেশৰ বিকাশত মহিলাৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব।

আলোচনাত এ আই এম আই এমৰ আছাদুদ্দিন ওৱেইছি, চি পি আই এমৰ কে ৰাধাকৃষ্ণন, কেৰালা কংগ্ৰেছৰ কে ফ্ৰান্সিছ জৰ্জ, জে এম এমৰ বিজয় কুমাৰ হন্সডাক, কংগ্ৰেছৰ উজ্জল ৰমন সিং, জন্সেনা পাৰ্টীৰ বালাছৌৰী বল্লভানেনিকে আদি কৰি আন ভালেকেইগৰাকী সাংসদে অংশগ্ৰহণ কৰে। ইয়াৰ পাছত অধ্যক্ষই দিনটোৰ বাবে লোকসভাৰ কাম-কাজ স্থগিত ৰাখে।

০০০০০

ইপিনে ৰাজ্যসভাতো কালি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ শিৱসেনাৰ সঞ্জয় ৰাউটে বাজেটত কৃষক, যুৱক-যুৱতী আৰু নিৰনুৱাসকলৰ বাবে কোনো ধৰণৰ সুবিধা নাই বুলি অভিযোগ কৰে। দেশৰ প্ৰায় ৫০ শতাংশ কৃষক ধাৰত পোত গৈ আছে বুলি তেওঁ মন্তব্য কৰে।

আলোচনাত অংশ লৈ জে দি ইউৰ সঞ্জয় কুমাৰ ঝাই যুৱক-যুৱতী, মহিলা আৰু দুখীয়াসকলৰ সৱলীকৰণৰ বাবে এখন উন্নয়নমুখী বাজেট উত্থাপন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ শলাগ লয়। আলোচনাত বিজেপিৰ ড০ সুধাংশু ত্ৰিবেদী আৰু লহৰ সিং ছিৰোয়া, আই ইউ এম এলৰ আব্দুল ৱাহাব, কংগ্ৰেছৰ ইমৰান প্ৰতাপগৰহীকে ধৰি ভালেকেইগৰাকী সাংসদে অংশ লয়। পাছত দিনটোৰ বাবে ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখা হয়।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে লোকসভাৰ অধ্যক্ষ পদক লৈ প্ৰশ্ন উত্থাপন কৰা বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয় যে গান্ধীৰ এনে কাৰ্যই গণতন্ত্ৰ আৰু সংবিধানক ক্ষতিগ্ৰস্ত কৰিছে। তেওঁ কয় যে, এনে আচৰণে কংগ্ৰেছ নেতাগৰাকীৰ যে সংবিধানৰ প্ৰতি কোনো সন্মান নাই নাই, তাকে প্ৰতিফলিত কৰিছে।

ইপিনে, সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে লোকসভাত শ্ৰীগান্ধীৰ আচৰণক গৰিহণা দিয়ে। তেওঁ কয় যে, অধ্যক্ষ হ'ল সদনৰ ৰক্ষক। কংগ্ৰেছ নেতাগৰাকীয়ে অধ্যক্ষক জেৰা কৰি থকা বুলি তেওঁ অভিযোগ কৰে। শ্ৰীৰিজিজুৱে কয় যে ৰাহুল গান্ধী যিহেতু এতিয়া বিৰোধী দলৰ নেতা, সেয়ে তেওঁ সংসদৰ নিয়ম অনুসৰি কাম কৰিব লাগিব।

০০০০০

বাংলাদেশত সংৰক্ষণৰ সংস্কাৰৰ আন্দোলনক কেন্দ্ৰ কৰি শেহতীয়াকৈ দেশজুৰি সংঘটিত হিংসাত্মক পৰিস্থিতিত শতাধিক লোকৰ মৃত্যুত আজি চৰকাৰে ৰাষ্ট্ৰীয় শোক পালন কৰিছে। দেশখনৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট সচিব মহম্মদ মাহবুব হোছেইনে বৈঠকৰ পাছত সচিবালয়ত অনুষ্ঠিত এখন সংবাদ মেলত আজি সকলোৱে ক'লা বেজ পৰিধান কৰিব আৰু মছজিদ তথা মন্দিৰত ধৰ্মীয় ৰীতি নীতিৰে উপাসনা কৰা হ'ব বুলি প্ৰকাশ কৰে।

সংৰক্ষণকেন্দ্ৰীক শেহতীয়া প্ৰতিবাদক কেন্দ্ৰ কৰি সংঘটিত হিংসাত্মক পৰিস্থিতিৰ সময়চোৱাত দেশখনত মুঠ ১৫০ জন লোকৰ মৃত্যু হোৱা বুলি বাংলাদেশৰ গৃহমন্ত্ৰী আজাদুজ্জামান খানে প্ৰকাশ কৰিছে। নিহতসকলৰ ভিতৰত আৰক্ষী বিষয়া, আৱামি লীগৰ নেতা-কৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন বৃত্তিৰ ব্যক্তিও আছে বুলি কালি ঢাকাত এখন সংবাদমেলত তেওঁ জানিবলৈ দিয়ে।

ইফালে হিংসাত্মক পৰিস্থিতিৰ বাবে বন্ধ হৈ থকা শিক্ষানুষ্ঠানসমূহ পুনৰ মুকলি কৰাৰ ক্ষেত্ৰত চৰকাৰে এতিয়াও কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি বাংলাদেশৰ শিক্ষামন্ত্ৰী মহিবুল হাছান চৌধুৰীয়ে কালি প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় পুৰুষ হকী দলে কালি পেৰিছ অলিম্পিকৰ পুল বিত আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলা খেলখন ১-১ গ'লত ড্ৰ হয়। খেলখনৰ প্ৰথমাৰ্ধত লুকাছ মাৰ্টিনেজে আৰ্জেণ্টিনাক অগ্ৰগতি প্ৰদান কৰে যদিও অন্তিম সময়ত ভাৰতৰ অধিনায়ক হৰমনপ্ৰীত সিঙে গ'লটো পৰিশোধ কৰে। ভাৰত পৰৱৰ্তী খেলখনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৪ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব।

ভাৰতে সম্প্ৰতি ছটা দলৰ পুল বিত দুখন খেলৰ পৰা ৪ পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ ভাৰতে পুল বিৰ শীৰ্ষ চাৰিটা দলৰ

ভিতৰত থাকিব লাগিব। পুল বিত সম্প্ৰতি বেলজিয়াম শীৰ্ষত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়া দ্বিতীয় আৰু আৰ্জেণ্টিনা চতুৰ্থ স্থানত আছে।

ইপিনে বেডমিণ্টনত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ গ্ৰুপ এলৰ এখন খেলত কালি বেলজিয়ামৰ জুলিয়েন কাৰাগ্নীক পৰাস্ত কৰি প্ৰথম জয় সাব্যস্ত কৰে। ৪৩ মিনিটজোৰা খেলখনত ভাৰতীয় খেলুৱৈগৰাকীয়ে ২১-১৯, ২১-১৪ গেমত বিজয় নিশ্চিত কৰে। খেলুৱৈগৰাকী আজি গ্ৰুপৰ অন্তিমখন খেলত এছীয় চেম্পিয়ন জোনাটান ক্ৰীষ্টিৰ মুখামুখি হ'ব।

বেডমিণ্টনৰ পুৰুষৰ ডাবলছত ভাৰতৰ ছাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ সুবাদত যুটীটো অলিম্পিকৰ ইতিহাসত বেডমিণ্টনৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা ভাৰতৰ প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে।

অৱশ্যে আৰ্চাৰীত ধীৰাজ বোম্মাদেৱৰা, তৰুণদ্বীপ ৰায় আৰু প্ৰবীণ জাধৱক লৈ গঠিত ভাৰতীয় পুৰুষৰ দলটো কালি কোৱাৰ্টাৰ ফাইনেলত তুৰস্কৰ বিৰুদ্ধে ৬-২ ফলাফলত পৰাজিত হয়। আৰ্চাৰীত আজি মুঠ ছগৰাকী ভাৰতীয় খেলুৱৈয়ে পুৰুষ আৰু মহিলা উভয় শিতানত ব্যক্তিগত শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ব্যক্তিগত শাখাৰ প্ৰথম ৰাউণ্ডৰ এই খেলসমূহ ভাৰতীয় সময় অনুসৰি আজি বিয়লি ৫ বাজি ১৪ মিনিটত আৰম্ভ হ'ব।

ৰয়িঙৰ পুৰুষৰ ছিংগলছৰ স্কালছ শিতানত ভাৰতৰ বলৰাজ পানৱাৰে ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ বাবে দিনৰ ২ বাজি ১০ মিনিটত চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব।

ইপিনে ভাৰতৰ মনু ভাকেৰ আৰু সৰৱজিত সিঙে আজি ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড টীম শিতানৰ ব্ৰঞ্জৰ পদকৰ বাবে খেলত অৱতীৰ্ণ হ'ব। দলটোৱে কালি এইখন খেললৈ যোগ্যতা অৰ্জন কৰে। ভাৰতীয় দলটো আজি ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত দক্ষিণ কোৰিয়াৰ অ'হ য়ে জিন আৰু লি ৱনহ'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰত আজি শ্ৰীলংকাৰ বিৰুদ্ধে তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব।

ভাৰতে ইতিমধ্যে ২-০ ফলাফলেৰে শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

০০০০০

সমাপ্ত